This Question paper consists of **25** questions and **11** printed pages.
এই প্ৰশ্নকাকতত **25** খন প্ৰশ্ন আৰু **11** ছপা পৃষ্ঠা আছে।

**Roll No.**
**ৰোল নং.**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | | |

**Code No.** / কোড নং **67/S/A/A**

**SET/ সেট** **A**

# ASSAMESE

# অসমীয়া

## (228)

**Day and Date of Examination :** ______________________

**(পৰীক্ষাৰ দিন আৰু তাৰিখ)**

**Signature of Invigilators :** 1. ______________________

**(তত্ত্বাৱধানকাৰীসকলৰ স্বাক্ষৰ)**

2. ______________________

---

**সাধাৰণ নির্দেশাৱলী ঃ**

1. **সমস্ত** প্ৰশ্নৰ উত্তৰ আপোনাক দিয়া উত্তৰ পুস্তিকাত দিয়া লাগিব।
2. ই প্ৰশ্নপত্ৰটি পঢ়িৱাৰ বাবে **15** মিনিট সময় দিয়া হৈছে। প্ৰশ্নপত্ৰটি দুপুৰীয়া **02.15** বজাত বন্টন কৰা হ'ব। **02.15** ৰ পৰা **02.30** পর্যন্ত সময় বিদ্যার্থীসকলক প্ৰশ্নপত্ৰটি মাত্ৰ পঢ়িবাৰ বাবে দিয়া হৈছে ই সময়ত তেওঁলোকে উত্তৰ পুস্তিকাত কোনো ৰকম উত্তৰ লিখিব পাৰিব না।
3. প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।
4. পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।
5. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নির্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব।
6. নির্দিষ্ট স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।
7. উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা **67/S/A/A-A** উল্লেখ কৰিব।



Unnati Educations
9899436384, 9654279279

# ASSAMESE

# অসমীয়া

# (228)

সময় : 3 ঘণ্টা ] [ মুঠ নম্বৰ : 100

**টোকা :** (1) এই প্ৰশ্নকাকতত দুটা খণ্ড আছে - 'ক' অংশ আৰু 'খ' অংশ।

(2) প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা 25 টা। সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

(3) প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়া হৈছে।

(4) বস্তুনিষ্ঠ/বহুবিকল্প প্ৰশ্ন 'ক' অংশ আৰু বিষয়ভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন 'খ' অংশত দিয়া হৈছে। প্ৰশ্নৰ লগতে তেওঁলোকৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

(5) 'ক' অংশত মুঠ 17 টা প্ৰশ্ন আছে। 1 নং প্ৰশ্নৰ পৰা 5 নং প্ৰশ্নলৈ মুঠ 20 টা বহুবিকল্প/বস্তুনিষ্ঠ (MCQ) প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে। প্ৰশ্ন নং 6 ৰ পৰা 17 লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(6) 'খ' অংশত মুঠ 8 টা প্ৰশ্ন আছে। প্ৰশ্ন নং 18 ৰ পৰা 25 লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(7) দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

---

## 'ক' - অংশ

**1.** তলত দিয়া প্ৰশ্নবোৰৰ **যিকোনো চাৰিটাৰ** উত্তৰ লিখক। **4x1=4**

(I) 'গড়গাঁও' কবিতাটিৰ কবিগৰাকীৰ নাম -

(ক) নৱকান্ত বৰুৱা (খ) বিনন্দ চন্দ্ৰ বৰুৱা

(গ) যতীন্দ্ৰ নাথ দুৱৰা (ঘ) হীৰেন ভট্টাচাৰ্য

(II) মহাপুৰুষ শ্ৰী শংকৰদেৱৰ সাহিত্য প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন হ'ল -

(ক) ৰুক্মিনী হৰণ (খ) বলিছলন

(গ) নামঘোষা (ঘ) কীৰ্তন ঘোষা

(III) নলিনীবালা দেৱী প্ৰথমা কন্যা আছিল -

(ক) গোপীনাথ বৰদলৈৰ (খ) কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ

(গ) সুৰবালা বৰদলৈৰ (ঘ) ৰত্নেশ্বৰ বৰদলৈৰ



Unnati Educations
9899436384, 9654279279

(IV) মিচিং সকলে আলি আই - লৃগাং পতা ফাগুন মাহৰ প্ৰথম বাৰটো হ'ল -

(ক) সোমবাৰ (খ) মংগলবাৰ

(গ) বুধবাৰ (ঘ) বৃহস্পতিবাৰ

(V) 'বতৰটো ফৰকাল' পাঠটোৰ লিখক হ'ল -

(ক) নীলমণি ফুকন (খ) চৈয়দ আব্দুল মালিক

(গ) ইমৰান শ্বাহ (ঘ) শৰৎ চন্দ্ৰ গোস্বামী

(VI) আহোমসকলৰ শেষৰ জনা স্বৰ্গদেউ হ'ল -

(ক) গোমধৰ কোঁৱৰ (খ) পুৰন্দৰ কোঁৱৰ

(গ) চন্দ্ৰকান্ত সিংহ (ঘ) চক্ৰধ্বজ সিংহ

2. তলত দিয়া প্ৰশ্নবোৰৰ **যিকোনো চাৰিটাৰ** উত্তৰ লিখক। **4x1=4**

(I) মলৰ চোঁৰৰত কবিয়ে কি ফুলৰ ৰেণু, সাজিব খুজিছে ?

(ক) কেতেকী (খ) পাৰিজাত

(গ) গোলাপ (ঘ) সুগন্ধি ফুলৰ

(II) কিহৰ পাশত কবি আবদ্ধ হৈছে ?

(ক) নাগ পাশত (খ) মায়াৰ পাশত

(গ) গহন বনৰ পাশত (ঘ) লোভৰ পাশত

(III) কবিয়ে কিহত পৰাণ মিলাই দিয়াৰ কথা ভাবিছে ?

(ক) বসন্তৰ সুবাসত (খ) ফাগুনৰ মলয়াত

(গ) অতীতৰ স্মৃতি সুঁৱাধ (ঘ) হেঙুলী ৰহণত

(IV) মণিপুৰৰ ৰজাজনৰ নামটো আছিল -

(ক) গদাধৰ সিংহ (খ) জয় সিংহ

(গ) চন্দ্ৰকান্ত সিংহ (ঘ) জয়ধ্বজ সিংহ

(V) প্ৰথমে, বিশেষকৈ বিয়াহৰ ওজাপালিৰ গীতৰ মাধ্যম আছিল -

(ক) পুৰণি অসমীয়া (খ) ব্ৰজাৱলী

(গ) সংস্কৃত (ঘ) অসমীয়া

(VI) তলৰ কোনটো উপাদান প্ৰকৃতিৰ প্ৰধান উপাদান নহয় ?

(ক) মাটি (খ) সূৰ্যৰ ৰ'দ

(গ) পানী (ঘ) বায়ু



Unnati Educations
9899436384, 9654279279

**3.** তলত দিয়া প্ৰশ্নবোৰৰ **যিকোনো চাৰিটাৰ** উত্তৰ লিখক। **4x1=4**

খালী ঠাই পূৰ কৰক।

(I) পুৱাতে __________ উঠি।

(ক) গছত (খ) পাহাৰত

(গ) ৰথত (ঘ) ঘৰৰ মূধচত

খালী ঠাই পূৰ কৰক।

(II) এফালে দ্বীপমালা, আনফালে __________ ।

(ক) পৰ্বতমালা (খ) সাগৰ মহাসাগৰ

(গ) হ্ৰদ-জলাশয় (ঘ) নদ-নদী

(III) 'ছোড়' শব্দৰ অৰ্থ হ'ল -

(ক) বেয়া (খ) বন্দী কৰা

(গ) এৰি দিয়া (ঘ) কৰিলা

(IV) 'পাশ' শব্দৰ আধুনিক প্ৰতিশব্দ হ'ল -

(ক) ওচৰ (খ) কাষ

(গ) জৰি (ঘ) পাছত

(V) 'নম্ৰতা' এটা -

(ক) বিশেষণ পদ (খ) বিশেষ্য পদ

(গ) বিশেষণীয় বিশেষণ (ঘ) অব্যয় পদ

(VI) 'প্ৰভাত' শব্দৰ সমাৰ্থক শব্দ হৈছে -

(ক) সূৰ্য (খ) ৰাতিপুৱা

(গ) আকাশ (ঘ) উজ্জ্বল

**4.** তলত দিয়া প্ৰশ্নবোৰৰ **যিকোনো চাৰিটাৰ** উত্তৰ লিখক। **4x1=4**

(I) ইচ্ছাপত্ৰখন কোনে লিখিছে ?

(ক) কৰুণাকান্ত কলিতাই (খ) গোবৰ্ধন কলিতাই

(গ) মমতা কলিতাই (ঘ) শান্তনা কলিতাই

(II) বহাগ মাহত কঠীয়া সিঁচাৰ আগে আগে ৰাভাসকলে পতা উৎসৱ হ'ল -

(ক) আলি - আই - লৃগাং (খ) বায়খু

(গ) মগৌ (ঘ) লকু



Unnati Educations
9899436384, 9654279279

(III) ঘুনুচাৰ একমাত্ৰ পুত্ৰ মণিৰাম আছিল -

(ক) ৪/৫ বছৰীয়া (খ) ৫/৬ বছৰীয়া

(গ) ৩/৪ বছৰীয়া (ঘ) ৬/৭ বছৰীয়া

(IV) ১৯৬০ চনৰ জনগণনা অনুসৰি ভাৰতত ভাষা কোৱা হয় -

(ক) ১৫৬২ টা (খ) ১৬২৫ টা

(গ) ১৬৫২ টা (ঘ) ১৫৫২ টা

(V) এগনিছে জন্মগ্ৰহণ কৰা চনটো আছিল -

(ক) ১৯১০ চন (খ) ১৯২০ চন

(গ) ১৯০০চন (ঘ) ১৯০৯ চন

(VI) তুমিয়ে মোৰ একমাত্ৰ বন্ধু বুলি কাক কোৱা হৈছিল ?

(ক) চন্দ্ৰকান্ত সিংহক (খ) লুকু ডেকাফুকনক

(গ) পূৰ্ণানন্দ বুঢ়াগোঁহাইক (ঘ) ৰুচিনাথক

5. তলত দিয়া প্ৰশ্নবোৰৰ **যিকোনো চাৰিটাৰ** উত্তৰ লিখক। **4x1=4**

(I) ধৰ্মকান্তৰ ডাঙৰ ছোৱালীজনীৰ নাম হৈছে -

(ক) সীতা (খ) সাবিত্ৰী

(গ) জয়মতী (ঘ) দময়ন্তী

(II) লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা পুথিখনৰ নাম -

(ক) সুৰভি (খ) কেহোকলি

(গ) বেলিমাৰ (ঘ) কদম কলি

(III) 'কুইট ইণ্ডিয়া' প্ৰস্তাৱটো গ্ৰহণ কৰা হৈছিল -

(ক) ১৯৪২ চনত (খ) ১৯৪০ চনত

(গ) ১৯৪১ চনত (ঘ) ১৯৪৩ চনত

(IV) বিষয়বস্তু অনুসৰি ওজাপালি অনুষ্ঠানক বহল ভাগত ভগাব পাৰি -

(ক) দুটা (খ) তিনিটা

(গ) চাৰিটা (ঘ) পাঁচটা



Unnati Educations
9899436384, 9654279279

(V) প্ৰাণীক হত্যা বা হিংসা নকৰাই মানৱ জীৱনৰ শ্ৰেষ্ঠ ধৰ্ম বুলি কৈছে -

(ক) হিন্দু ধৰ্মই (খ) বৌদ্ধ ধৰ্মই

(গ) খৃষ্টান ধৰ্মই (ঘ) ইছলাম ধৰ্মই

(VI) পদূলিৰ গেট খুলি সোমাই অহা মহিলা গৰাকীৰ নাম -

(ক) মাইকন (খ) কনমাই

(গ) আইকন (ঘ) এজনীও নহয়

6. তলৰ প্ৰশ্নসমূহৰ **যিকোনো দুটাৰ** খালী ঠাই পূৰণ কৰক। **2x2=4**

(I) তুৰা হৰি __________ গোড়

মোৰ মায়া __________ ছোড়

(II) উজুটিত ভাগে __________, কোঢ়ালত হৰে __________

(III) এই দেশৰ বাবে মঁই __________ থাকিবলৈ মৰণ __________ কৰিছোঁ

7. তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখক। **4**

| **ক অংশ (প্ৰাচীন শব্দ)** | | **খ অংশ (আধুনিক অৰ্থ)** | |
|---|---|---|---|
| (a) | পলাইতে | (i) | মিনতি |
| (b) | পাশ | (ii) | মই |
| (c) | কাকূতি | (iii) | কাষ |
| (d) | হামু | (iv) | পলাবলৈ |

**অথবা**

| **ক অংশ** | | **খ অংশ** | |
|---|---|---|---|
| (a) | শংকৰাচাৰ্য | (i) | এজন বৈষ্ণৱ পণ্ডিত |
| (b) | বাল্মীকি | (ii) | জৈন ধৰ্মৰ প্ৰতিষ্ঠাতা |
| (c) | ৰামানুজ | (iii) | হিন্দু ধৰ্মক বিশিষ্ট ৰূপ দিওঁতা পণ্ডিত |
| (d) | মহাবীৰ | (iv) | ৰামায়ণ মহাকাব্য প্ৰণেতা |



Unnati Educations
9899436384, 9654279279

8. তলৰ অনুচ্ছেদটো ভালদৰে পঢ়ক আৰু নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখক। **4x1=4**

প্ৰত্যেক মানুহেই এটা নিৰ্দিষ্ট সময়ৰ কাৰণে এই পৃথিৱীত জীয়াই থাকে। সেই ফালৰ পৰা চাবলৈ গ'লে মানুহৰ জীৱন হ'ল সময়ৰ অসংখ্য মুহূৰ্তৰ সমষ্টি মাত্ৰ। সময়ক নৈৰ সোঁতৰ লগত তুলনা কৰা হয়; কাৰণ উজনিৰ পৰা ভাটিলৈ বৈ যোৱা পানীখিনি কেতিয়াও পুনৰ উজনিলৈ উভতি আহিব নোৱৰাৰ দৰে পাৰ হৈ যোৱা মুহূৰ্তবোৰো আমাৰ জীৱনলৈ কেতিয়াও উভতি নাহে। ঘড়ীৰ প্ৰত্যেকটো টিক্ টিক্ শব্দই একো একোটা মুহূৰ্তৰ চিৰ বিদায়ৰ কথা ঘোষণা কৰে। গতিকে জীৱনৰ প্ৰতিটো মুহূৰ্ত আমি কেনেকৈ যাপন কৰোঁ তাৰ ওপৰতে নিৰ্ভৰ কৰে জীৱনৰ সাৰ্থকতা।

(I) প্ৰত্যেক মানুহে এই পৃথিৱীত জীয়াই থাকে -

(ক) ষাঠি বছৰৰ কাৰণে (খ) অনিৰ্দিষ্ট সময়ৰ কাৰণে

(গ) নিৰ্দিষ্ট সময়ৰ কাৰণে (ঘ) সত্তৰ বছৰৰ কাৰণে

(II) মানুহৰ জীৱনটো হ'ল সময়ৰ অসংখ্য __________ সমষ্টি মাত্ৰ। (খালী ঠাই পূৰণ কৰক)

(III) ঘড়ীৰ প্ৰত্যেকটো টিক্ টিক্ শব্দই একো একোটা মুহূৰ্তৰ __________ কথা ঘোষণা কৰে। (খালী ঠাই পূৰণ কৰক)

(IV) জীৱনৰ সাৰ্থকতা নিৰ্ভৰ কৰে -

(ক) কেনেকৈ কটাওঁ (খ) কেনেকৈ যাপন কৰোঁ

(গ) কেনেকৈ চাওঁ (ঘ) কেনেকৈ বুজোঁ

9. ৰমজান মাহত ইছলাম ধৰ্মী লোকসকলে কিমান দিন উপবাসে থাকে ? **1**

**অথবা**

মণিৰামৰ জীৰ্ণ জ্বৰ পাছলৈ কি জ্বৰত পৰিণত হ'ল ?

10. "মোৰ এতে খিনি মানুহ আহিলা পাতি কিয় হানি কৰিলেগৈ" - এইষাৰ কাৰ উক্তি ? **1**

**অথবা**

লক্ষ্মীনাথ বেজবৰুৱাই কোন চনত ইহলীলা সম্বৰণ কৰে ?

11. গঁড় আৰু কিহক একে বস্তু বুলি কোৱা হৈছে ? **1**

**অথবা**

দ্বিতীয় পুৰুষ মানে কি ?



Unnati Educations
9899436384, 9654279279

12. ভাৰতলৈ আহি থিতাপি লোৱা সু-প্ৰাচীন মানৱ গোষ্ঠীটো হ'ল ? 1

**অথবা**

বন্য প্ৰাণী সংৰক্ষণৰ উদ্দেশ্য কি ?

13. 'ক' অংশৰ **যিকোনো চাৰিটা** পাঠৰ লগত 'খ' অংশৰ লিখকৰ নাম মিলাই লিখক। 4x1=4

| | **ক অংশ** | | **খ অংশ** |
|---|---|---|---|
| (a) | লুকু ডেকা ফুকনৰ দেশ ভক্তি | (i) | তাৰিনী কান্ত গোস্বামী |
| (b) | বৰ বৰুৱাৰ গাত চ'তৰ বিহু | (ii) | সুৰেন্দ্ৰ মোহন ঠাকুতীয়া |
| (c) | ভাৰতৰ বৈচিত্ৰৰ মাজত ঐক্য | (iii) | ভৃগুমোহন গোস্বামী |
| (d) | ভাৰত ৰত্ন গোপীনাথ বৰদলৈ | (iv) | নকুল চন্দ্ৰ ভূঞা |
| (e) | প্ৰতিশোধ | (v) | লক্ষ্মীনাথ বেজবৰুৱা |
| (f) | অসমৰ ওজাপালি অনুষ্ঠান | (vi) | মহিম বৰা |

14. তলৰ **যিকোনো তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক। 3x1=3

(i) ৰবীন্দ্ৰ শব্দৰ সন্ধি ভাঙিলে হ'ব . . . . .

(ii) নিঃ + ৰোগ শব্দৰ সন্ধি কৰিলে হ'ব . . . . .

(iii) শ্ৰদ্ধাঞ্জলি শব্দৰ সন্ধি ভাঙিলে হ'ব . . . . .

(iv) গিৰি + ঈশ শব্দৰ সন্ধি কৰিলে হ'ব . . . . .

15. তলৰ **যিকোনো তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক। 3x1=3

(i) 'লগৰীয়া' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে -

(ii) 'ভাগৰুৱা' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে -

(iii) 'মগনীয়া' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে -

(iv) 'কৰোঁতা' শব্দৰ প্ৰত্যয় বিন্যাস হৈছে -



Unnati Educations
9899436384, 9654279279

16. তলৰ **যিকোনো দুটা** প্ৰশ্নৰ উত্তৰ লিখক। **2x1=2**

(i) বেলি শব্দৰ সমাৰ্থক শব্দ হৈছে -

(ii) ৰণুৱা শব্দৰ সমাৰ্থক শব্দ হৈছে -

(iii) সঁচা শব্দৰ বিপৰীত শব্দ হৈছে -

(iv) আন্ধাৰ শব্দৰ বিপৰীত শব্দ হৈছে -

17. তলৰ **যিকোনো দুটা** বাক্য এটা শব্দত প্ৰকাশ কৰক - **2x1=2**

(i) বনত ফুৰে যি . . . . .

(ii) দুবাৰৰ কাষত থকা লোক . . . . .

(iii) যাৰ অন্তৰত মলি নাই . . . . .

## 'খ'- অংশ

18. তলত দিয়া **যিকোনো তিনিটা** প্ৰশ্নৰ উত্তৰ 20-25 টা শব্দৰ ভিতৰত লিখক। **3x2=6**

(I) কনমাই কোন ?

(II) 'তুমিয়ে মোৰ একমাত্ৰ বিপদৰ বন্ধু' এইষাৰ কাৰ উক্তি ? বিপদৰ বন্ধু বুলি কাক কৈছে ?

(III) মানুহ বিলাকে দোলন আৰু ধৰ্মকান্তক কেনেকৈ ঘৰলৈ আনিলে ?

(IV) শান্তিৰ চৰাইযুৰিক কবিয়ে কি দিছে আৰু কিয় দিছে ?

19. তলত দিয়া **যিকোনো দুটা** প্ৰশ্নৰ উত্তৰ 30-40 টা শব্দৰ ভিতৰত লিখক। **2x3=6**

(I) গোবৰ্ধন কলিতাই ইচ্ছাপত্ৰত কেনেকৈ সম্পত্তি ভাগ কৰিছিল ?

(II) মাটি প্ৰদূষণ সম্পৰ্কে চমুকৈ লিখা।

(III) লুকু কোন ? তেওঁৰ শেষ বাণী কি আছিল ?

20. তলত দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক। **5**

(ক) সকলোৰে আছে কাম, নোহোৱাৰ নাই নাম, কাপুৰুষে সদা পায় লাজ, নাই-দিন নাই ৰাতি নাই পানী নাই মাটি, আদেশ মাথোন হয় সাজ।

**অথবা**



Unnati Educations
9899436384, 9654279279

(খ) দুখীয়াৰ ভগা পঁজা

একোখনি তীৰ্থ তাত

একোখনি পুন্যৰ আশ্রম

মৰিলে পুনৰ আহি

দুখীয়া দেশত মোৰ

লওঁ যেন পুনৰ জনম।

**21.** প্ৰসংগ সংগতি দৰ্শাই **যিকোনো দুছোৰা** ব্যাখ্যা কৰক। **2x4=8**

(ক) পখী হে আকাশৰ

বুকুত ফুৰিম উৰি

বাঁহ লম ওখ বিৰিখত;

পুৱতিৰ লগে লগে

জগাম তোমাক নিতে

বনৰীয়া সুৱদী গীতত।

(খ) বন্য প্ৰাণী মানুহৰ পৰম সুহৃদ।

(গ) ৰমজান মাহটোক কোনো কোনোৱে মুছলমানৰ মগনীয়াৰ মাহ বুলিও কয়।

(ঘ) পুৱাতে ৰথত উঠি

আকাশত বেলিটিয়ে

ঢালি দিয়ে সোনালী কিৰণ

দুপৰীয়া পাৰ হ'লে

উছাহ মোলান পৰি

পছিমত জিলিকায় হেঙুলী ৰহণ,

আঁতৰিল পুৱাৰ কিৰণ

**22.** ভাৱ সম্প্ৰসাৰণ কৰক (**যিকোনো দুছোৰা**) **2x4=8**

(ক) আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি

(খ) বাটৰ দুবৰি বন গচকত পৰা

তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।

(গ) গছ নোহোৱা ঠাইত এৰাই বৃক্ষ।



Unnati Educations
9899436384, 9654279279

23. তলৰ **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ 100 ৰ পৰা 150 শব্দৰ ভিতৰত লিখক। **4**

'ৰাজ শক্তি আজি বলহীন' বুজাই লিখক

**অথবা**

মুখ্যমন্ত্ৰী হিচাপে গোপীনাথ বৰদলৈ দেৱৰ চমু আলোচনা আগবঢ়াওক।

24. তলৰ **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ 150 ৰ পৰা 200 শব্দৰ ভিতৰত লিখক। **5**

মাদাৰ টেৰেছাৰ কৰ্মময় জীৱন যাত্ৰাৰ এটি আভাস দিয়ক।

**অথবা**

অসমৰ সমাজ-সাংস্কৃতিক জগতত ওজাপালিৰ এক বিশেষ স্থান কেনেকুৱা লিখক।

25. তলৰ **যিকোনো এটা** বিষয় লৈ এখন ৰচনা লিখক। **8**

(ক) বাতৰি কাকত

(খ) জীৱনৰ লক্ষ্য

(গ) এখন প্ৰিয় গ্ৰন্থ।

**- o 0 o -**



Unnati Educations
9899436384, 9654279279